"আমাৰ অসম" ১৫/৬/৯৮ ইং

# ভৃগু, ডেৰহাগ্ৰাৰ উপস্থিতিত সুৰজিৎ মিত্ৰৰ শেষকৃত্য সম্পন্ন

## ম'বাইলত শেষ যোগাযোগৰ চেষ্টা কৰিছিল নৱনীতাই

ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ জুন ঃ আততায়ীৰ গুলীত কালি গুৱাহাটীত ধীৰেনপাৰাত নিহত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা সুৰজিৎ মিত্ৰৰ শেষকৃত্য আজি গুৱাহাটীৰ ভূতনাথ শ্মশানত সম্পন্ন কৰা হয়। নিহত মিত্ৰৰ মৃতদেহ আজি মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত তেওঁৰ কাহিলিপাৰাস্থ বাসভৱনলৈ লৈ যোৱা হয়। বাসভৱনত গুণমুগ্ধসকলে শেষ শ্ৰদ্ধা জনোৱাৰ পিছত মৃতদেহটো লৈ যায় কে চি দাস কমাৰ্চ কলেজলৈ। কলেজ চৌহদত ছাত্ৰ-শিক্ষক-কৰ্মচাৰীয়ে কলেজখনৰ পৰিচালনা সমিতিৰ সম্পাদক মিত্ৰৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে। কলেজৰ পৰা মৃতদেহটো ভূতনাথলৈ লৈ যোৱা হয়।

মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালতো বহুজনে মিত্ৰৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে। মিত্ৰৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ সময়ত ২ পৃষ্ঠাত

## ম'বাইলত যোগাযোগৰ চেষ্টা

হাস্পাতালত প্ৰাক্তন গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন, বিধায়ক ডেৰহাগ্ৰা মুছাহাৰী, প্ৰাক্তন বিধায়ক পানীৰাম ৰাভা, অধিবক্তা নিলয় দত্ত আদি উপস্থিত থাকে। ফুকন, মুছাহাৰীৰ উপৰি বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোঁহাই, বিধায়কদ্বয় বৃন্দাবন গোস্বামী আৰু দিলীপ কুমাৰ শইকীয়া, মন্ত্ৰী প্ৰমোদ গগৈ, ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে বিভিন্নজনে সদ্য প্ৰয়াত মিত্ৰৰ বাসভৱনলৈ গৈ শোক সন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে।

৩৫ বছৰীয়া অধিবক্তাজনৰ হত্যাত স্বাভাৱিকভাৱেই বিচলিত হৈ পৰিছে তেওঁৰ পত্নী নৱনীতা দাস মিত্ৰ। হতাশাত ভাগি পৰা সদ্য বিধৱা নৱনীতাই সাংবাদিকক উদ্দেশ্যি কয়— 'পেপাৰত লিখিলে কি হ'ব? দুদিনমান মানুহে মোক, পৰিয়ালটোক পুতৌ কৰিব। তাৰ পিছত এটা সময়ত সকলোৱে সেয়া পাহৰি যাব। মোৰ বৌ কৰবী হত্যাৰ (ৰোমহৰ্ষক কৰবী-দুৰৰি হত্যা) দুখময় স্মৃতি মই এতিয়াও পাহৰিব পৰা নাই। কৰবী হত্যাৰ পিছতো বাতৰি কাকতত খুব লেখা-মেলা হৈছিল। এতিয়া সিয়ো বিস্মৃতিৰ গৰ্ভত জাহ গ'ল।' নৱনীতাই ফটো সাংবাদিকক তেওঁৰ ফটো নল'বলৈ সানুনয়ে অনুৰোধ জনায়।

ইফালে, মিত্ৰৰ একমাত্ৰ সন্তান— ৫ বছৰীয়া অনিৰ্বাণে পিতৃৰ মৃতদেহ ঘৰলৈ লৈ যোৱাৰ আগলৈ কি হৈছে, তাৰ একো ভূকে পোৱা নাই। পূৰ্বৰ দৰেই সি হাঁহি-মাতি ধেমালি কৰি আছে। ঘটনাক্ৰমে মাত্ৰ দুদিন পূৰ্বে তাৰ মূৰৰ চুলি খুৰাই দিয়া হৈছিল।

নৱনীতা মিত্ৰই 'আমাৰ অসম'ক জনোৱা মতে, কালি আবেলি শেষবাৰৰ কাৰণে ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত সুৰজিতে মোবাইলত সন্ধিয়া ৬ বজাত পত্নীক ফোন কৰিবলৈ কৈ গৈছিল। নৱনীতাই সেই মতে ছবজাতে ফোন কৰে যদিও মোবাইলৰ পৰা কোনো ধৰণৰ সঁহাৰি নাপালে।

নৱনীতাৰ ভাষ্য— ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত মিত্ৰই মোবাইল ফোনটো অন কৰি লৈ গৈছিল। কিন্তু সেই ফোনত যোগাযোগৰ চেষ্টা কৰি তেওঁ কোনো সঁহাৰি নাপালে।

## 'ঘূৰি আহোনে নাই ঠিক নাই!'

ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ জুন ঃ গুৱাহাটীৰ ধীৰেনপাৰাত কালি সন্ধিয়া বড়ো উগ্ৰপন্থীৰ গুলীত নিহত অধিবক্তা সুৰজিত মিত্ৰই কালি পুৱাৰে পৰা চৰম অস্থিৰতাৰ মাজত কটাইছিল। মিত্ৰৰ ঘনিষ্ঠ সূত্ৰই জনোৱা মতে, কালি পুৱা কোনো ব্যক্তিয়ে (এন ডি এফ বিৰ নেতা বুলিয়েই যাক সন্দেহ কৰা হৈছে) টেলিফোনেৰে যোগাযোগ কৰি মিত্ৰক সন্ধিয়া এক নিৰ্দিষ্ট ঠাইলৈ আলোচনাৰ বাবে মাতি পঠায়। এই ফোনটো পোৱাৰ পিছৰ ২ পৃষ্ঠাত

## ঘূৰি আহোনে নাই

সময়ছোৱা মিত্ৰই যথেষ্ট অস্থিৰতাৰে কটায়। তেওঁ এই সময়ছোৱাত ঘৰতে ঘনে ঘনে কাপোৰ-কানিও সলাই থকা পৰিলক্ষিত হয়। দিনটোৰ বিভিন্ন সময়ত মিত্ৰই তেওঁৰ কেবাজনো ঘনিষ্ঠ লোকৰ আগত এনেদৰেও মন্তব্য কৰে যে আজিৰ দিনটো তেওঁৰ বাবে অতি গুৰুত্বপূৰ্ণ দিন। আজিৰ দিনটো ঠিকে-ঠাকে পাৰ হৈ গ'লে তেওঁ বহু উত্তেজনাৰ পৰা ৰেহাই পাব। কিন্তু নিয়তিয়ে হয়তো মিত্ৰৰ এনে মন্তব্যত কুটিল হাঁহিহে মাৰিছিল।

পূৰ্বনিৰ্ধাৰিত সময় অনুসৰি সন্ধিয়া ৫ বজাত মিত্ৰ নিজৰ নীলা মাৰুতি ভানখনেৰে কাহিলিপাৰাস্থ ঘৰৰ পৰা ওলাই আহে। আদবাটতে মিত্ৰৰ গাড়ীত উঠে তিনিজন বড়ো যুৱক। গাড়ীৰে গৈ থকাৰ সময়তে প্ৰায় ৫-২০'বজাত মিত্ৰৰ ঘনিষ্ঠ ব্যক্তি এজনে দিছপুৰৰ পৰা মিত্ৰলৈ চেলুলাৰ ফোনত ফোন কৰোঁতে বিশেষ কথা-বতৰা নাপাতি মিত্ৰই কেৱল কৈছিল, 'এঠাইলৈ গৈ আছো ৰ'ব। ঘূৰি আহোনে নাই ঠিক নাই।' অৱশ্যে, সহজ ভঙ্গীত মিত্ৰই কৰা এই মন্তব্যত আনজন ব্যক্তিয়ে বিশেষ গুৰুত্ব নিদিলে। কিন্তু ইয়াৰ প্ৰায় ২০-২৫ মিনিটৰ পিছত ধীৰেনপাৰাত উদ্ধাৰ কৰা হ'ল গুলীত থকা-সৰকা হোৱা মিত্ৰৰ মৃতদেহ। তাৎপৰ্যপূৰ্ণভাৱে, মৃতদেহৰ লগত উদ্ধাৰ হোৱা চেলুলাৰ ফোনটো তেতিয়া বন্ধ হৈ থকা অৱস্থাত আছিল।